মাহেকীয়া বাৰ্তালোচনী
দ্বিতীয় সংখ্যা

# অবিকল্প

ফেব্ৰুৱাৰী, ২০২১
দৰং মহাবিদ্যালয়, তেজপুৰ, অসম

The first edition of 'Abikalpa' was very encouraging from the point of students' participation, their wholehearted and enthusiastic involvement from collection of writings to edition and printing- made mefeel very happy and elated and gave me a ray of hope that our loving students will become strong in areas of writing, imagination, comprehension and more particularly in creation of new ideas. I wish that next editions of 'Abikalpa' will be more and more creative and will be full of beautiful ideas of my beloved students!

- Dr. Joysankar Hazarika

DARRANG COLLEGE

## অবিকল্পৰ হৈ একলম

ডিম্পী হাজৰিকা
- সম্পাদিকা


"শৰীৰমাদ্যং খলু ধৰ্মসাধনম্"

এই আপ্তবাক্যশাৰী সাৰোগত কৰিয়েই আমাৰ এই প্ৰাতঃঅধিবেশন। উত্তৰ-পূৰ্বৰ নালন্দা খ্যাত দৰং মহাবিদ্যালয়ৰ ব্যতিক্ৰমী অনুষ্ঠান প্ৰাতঃঅধিবেশন প্ৰাৰ্থনাৰ মহত্ব, সাধনাৰ অৰ্থ, শৰীৰ আৰু মনৰ সূক্ষ্ম পৰ্যবেক্ষণৰ পৰা আৰম্ভ কৰি সমস্ত পৃথিৱীৰ মহান লোকসকলৰ মহান বাণী আওৰাই নিজক গঢ়াৰ আপ্ৰাণ চেষ্টা দৰঙীয়ানবৃন্দৰ। ছাত্ৰ-ছাত্ৰীৰ মাজত নৱ সম্ভাৱনাৰ উন্মেষ ঘটোৱা এই অনুষ্ঠান এদিন জাকত জিলিকা অনুষ্ঠান হিচাপে পৰিগণিত হ'ব বুলি মোৰ দৃঢ় বিশ্বাস।

আমাৰ এইপ্ৰচেষ্টাত ভাৰতীয় সামৰিক সেৱা বিষয়া আৰু অনাতাঁৰ শিল্পী, কলাকাৰ এগৰাকীও আহি শাৰীৰিক, মানসিক অনুশীলনত ৰত হয়। অধ্যক্ষ মহোদয়ৰ নিয়মিত উপস্থিতিয়েও ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা প্ৰদান কৰিছে। লগতে প্ৰশিক্ষক নৃপেন্দ্ৰ কুমাৰ বড়া ছাৰৰ উৎসাহমূলক কথা তথা জ্ঞানভিত্তিক আলোচনাই আমাক শুদ্ধ পথত আৰু সততাৰে জীৱন বাটত আগুৱাৱলৈ সাহস দিয়ে। তেখেতদুজনাৰ তত্ত্বাৱধানতেই "অবিকল্প"ৰ দ্বিতীয় সংখ্যাটিও প্ৰকাশ কৰিবলৈ আগবাঢ়িছোঁ। ছাত্ৰ সমাজৰ উন্নতিৰ অৰ্থে দৰং মহাবিদ্যালয়ে গ্ৰহণ কৰা বিভিন্ন যোগাত্মক কাৰ্য-কলাপবোৰ প্ৰতিমাহে এই বাৰ্ত্তালোচনীৰ জৰিয়তে আপোনালোকক জ্ঞাত কৰিবলৈ প্ৰয়াস কৰিছোঁ। প্ৰথম সংখ্যাটিৰ দৰে এই সংখ্যাটিও যেন পঢুৱৈ সমাজে সাদৰেৰে আদৰি লয় আৰু ভুলবোৰ আঙুলিয়াই দি কৃতাৰ্থ কৰে যেন। এয়ে "অবিকল্প" গোষ্ঠীৰ হৈ মই সম্পদিকাই আপোনাসৱক আহ্বান জনালোঁ।

**জয়তু দৰং মহাবিদ্যালয়**
**জয়তু অবিকল্প**

"অবিকল্প" উন্মোচনী অনুষ্ঠান



পৃষ্ঠপোষক ঃ ড° জয়শংকৰ হাজৰিকা
তত্ত্বাৱধায়ক ঃ নৃপেন্দ্ৰ কুমাৰ বড়া
কৃতজ্ঞতা ঃ ইভা, ইনা, চিন্ময়ী, জাহাংগীৰ, অমৃতা, বাবুল, নিহাৰীকা, পবিত্ৰি, ৰুদ্ৰাক্ষ



"অবিকল্প" উন্মোচনী অনুষ্ঠানত সম্পাদিকা

## ABOUT HEALTH

In the development of personality of an individual sports play an important role. In this present world, sports and games act as an indispensable vehicle which leads for perfection of an individual. Sports and games contribute towards the development of an individual in following ways :- 1) Physical development 2) Mental development 3) social development and 4) Emotional development The Psycholosical Benifits of Exercise are :- 1) Improved Mood 2) Reduces Depression 3) Lowers Enxiety 4) Improve Mental Alertness 5) Enhance self esteem 6) Improve self Confidence 7) Reduces Stress 8) Boosts Memory and 9) Feeling great overall.

MONTHLY NEWSLETTER

VOL - II

# Abikalpa

FEBRUARY, 2021

DARRANG COLLEGE, TEZPUR, ASSAM

আহাৰ আৰু নিদ্ৰাৰ দৰেই পৰিশ্ৰমো একান্তই প্ৰয়োজনীয়। শাৰীৰিক শ্ৰমৰ দ্বাৰাহে আমাৰ মাংসপেশী, স্নায়ুতন্ত্ৰ আদি শৰীৰৰ বিভিন্ন অংগ প্ৰত্যঙ্গ কৰ্ম্মক্ষম কৰি ৰাখিব পৰা যায়। দৈহিক শ্ৰম কৰিলেহে গোটেই গাটোত তেজৰ সুষম চলাচল হয়। শাৰীৰিক পৰিশ্ৰম কৰিলেহে পৰিপাক শক্তি সবল হয় আৰু সবল পৰিপাকেই মনৰ বিষন্নতা, অৱসাদ আৰু নিৰানন্দ ভাৱ দূৰ কৰাৰ উত্তম উপায়।

।। জন ষ্টুৱাৰ্ট ব্লেকি

## ঃ অনুতপ্ত ঃ

- শ্ৰী সঞ্চিতা বৰা

"কেনে পাইছে এতিয়া? চিন্তা নকৰিব সোনকালেই ভাল হৈ উঠিব।" কোমল মাতষাৰ শুনি পুতুলে মূৰ দাঙি চালে। চিকিৎসালয়ৰ বিচনাত শুই চেলাইন ঠিক কৰি থকা কমবয়সীয়া ডাক্তৰণী অপৰাজিতালৈ চাই পুতুলে নিজকে নিজে ক'লে, "৩০ বছৰৰ আগত যদি কন্যা সন্তানৰ ভ্ৰূণটিক হত্যা নকৰিলো হেতেন, তেতিয়া আজি মোৰ জীয়ৰী জনীও অপৰাজিতাৰ দৰে হয়তো এগৰাকী ডাক্তৰণী হ'ল হয়।"



কলেজত সৰস্বতী পূজাৰ আয়োজন



ভাস্কৰ্য্যশিল্পী জয়চন্দ্ৰ দাস আৰু মোহিনী হাজৰিকাৰ সৈতে এখন্তেক



মহাৰজত জয়ন্তীৰ গুৰু বন্দনা অনুষ্ঠানত

## নিৰৱধি...

- নীহাৰিকা শইকীয়া

প্ৰথমদিনা হোষ্টেলত ভৰি দিয়াৰ পৰা আজিলৈকে বহুতো মানুহ পালো... মানুহ চিনিলো। হোষ্টেলে বহুত দিয়ে, বহুত শিকায়। চিনিয়ৰৰ ভয়ৰ পৰা আজি নিজেই চিনিয়ৰ হোৱালৈ এসাগৰ অনুভৱ। আৰু ছয় মাহ, কোন ক'ত যাব কোনেও নাজানো, কিন্তু মা কচম, তামাম মিছ কৰিম তহঁতক। দূৰত্ববোৰ বাঢ়িব, সময়ৰ অজুহাতত ব্যস্ততাৰ দোহাই দি কথাবোৰো কমি কমি এদিন নোহোৱা হ'ব। তথাপিও হৃদয়ৰ একোণত থাকি যাবি তঁহত, স্মৃতিবোৰে আমনি কৰিব, হয়তো কেতিয়াবা আবেলি নিজানত বহি আনক ক'ম.....

*"সেই যে মোৰ লগৰী এজনী আছিল....."*

**Champion of Republic Day Parrade at Tezpur**





দৰং মহাবিদ্যালয়ৰ বিজয়ী ভলিবলৰ দল আৰু CVCC দল

# কলেজ কেন্টিন

- কেন্টিনৰ কৰ্মচাৰীবৃন্দ

জয় জয়তে সমূহ দৰঙীয়ানলৈ ২০২১ বৰ্ষৰ কেন্টিনৰ কৰ্মচাৰীবৃন্দৰ তৰফৰ পৰা শুভেচ্ছা জনাইছো। জানিবলৈ পায় সুখী হ'ব যে দৰং মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমতি সাপেক্ষে, দৰং মহাবিদ্যালয়ৰ সঞ্চয় ও ঋণ দান সমিতি লিমিটেডৰ সৌজন্যত মহাবিদ্যাসয়ৰ গ্ৰন্থাগাৰ আৰু ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ মাজত হৈ থকা নিৰ্মীয়মান ভৱনৰ তলত যোৱা ইং ১৭/০১/২০২১ তাৰিখে আৰম্ভ কৰা হয়।

ইয়াত বৰ্তমান সকলো মাননীয় শিক্ষক - শিক্ষয়িত্ৰী, কাৰ্য্যালয়ৰ মাননীয় কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীক সতেজ খাদ্য সম্ভাৰ অতি কম মূল্যত আগবঢ়াবলৈ পায় সুখী হৈছো। ইয়াৰ উপৰিও কেন্টিনত ছাত্ৰ-ছাত্ৰী আৱাসৰ সমূহ ছাত্ৰ-ছাত্ৰী পুৱাৰ জলপান, দুপৰীয়াৰ আহাৰ, আবেলিৰ চাহ আৰু ৰাতিৰ ভাত সাজ খোৱাৰ সু-ব্যৱস্থা কৰা হৈছে।

ইয়াত বৰ্তমান ৬ জন কৰ্মচাৰীয়ে চলাই থকা হৈছে। শেষত কেন্টিন খনৰ ভৱিষ্যৎ উজ্বল কামনাৰে মহাবিদ্যালয়ৰ সমূহ সদস্য/ সদস্যাৰ আশীৰ্বাদ বিচাৰি সামৰণি মাৰিলোঁ।

## অতীত কবিতা মাধুৰী.....

মাজনিশা সাৰপাই শুনিছানে কেতিয়াবা কেতেকীৰ
হিয়া ভগা মাত
ভাবিছানে এটিবাৰো পখীৰ ডিঙিত কান্দে মানুহৰ
বুকুৰ সংবাদ

- দেৱকান্ত বৰুৱা

---

এনেকৈয়ে আছো ঃ দুখ মোৰ কোলাৰ কেচুৱা,
বাৰে বাৰে দুহাতেৰে দাঙি ল'ব লাগে।
মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য।

- হীৰেন ভট্টাচাৰ্য্য




New Academic Building

Volley Ball Coaching



College Library Building






Inside College Library



প্ৰাতঃঅধিবেশনত ধ্যান

# দৰঙিয়ানৰ দৃষ্টিত প্ৰাতঃঅধিবেশন

আমাৰ যি এই প্ৰাতঃঅধিবেশনত অকল শৰীৰৰ অনুশীলনেই নহয় তথা বিভিন্ন ধৰণৰ সাধাৰণ জ্ঞান, সামাজিক ভাৱে একে লগ হোৱা, পৰিবেশ সম্বন্ধে জনা, নিজৰ চৰিত্ৰৰ প্ৰতি গুৰুত্ব লোৱা, মানুহৰ আচাৰ-ব্যৱহাৰ আদি কেনে হোৱা উচিত তাৰ প্ৰতি সজাগ আৰু সচেতন হ'বলৈ আমাৰ যি প্ৰাতঃঅধিবেশনত নিখুঁত আৰু স্পষ্টকৈ আলোচনা আৰু পৰ্য্যবেক্ষণ কৰা হয়।

**- আকাশ বৰ্মণ**

পাঠ্যপুথিৰ জ্ঞান প্ৰত্যেক খন কলেজতে পোৱা যায়, কিন্তু জীৱনৰ জ্ঞান প্ৰত্যেক বিদ্যালয় বা মহাবিদ্যালয়ত পোৱা নাযায়। ছাৰ আপোনাৰ পৰাই শিকিলো সুখৰ মূল মন্ত্ৰ ধন, টকা-পইচা নহয়, বৰঞ্চ জীৱনটো উপভোগ কৰা আৰু সুখৰ মূলতে হৈছে সুস্বাস্থ্য।

**- ইনা হাজৰিকা**

Exercise is Thought to releare a greater sense of relaxation and improved mood. Physical fitness and endurance are basic components of wellbeing. I got to be fit training during a perfect time. I got a training in our institute. Thanks to you Principal Sir, and Borah Sir, for giving us such a lovely and interesting fitness training in our institution.

**- Ankita Kashyap.**

## Morning Session

ব্যক্তিৰ শাৰীৰিক আৰু মানসিক বিকাশৰ কাৰণে ব্যায়ামৰ অৰিহণা অপৰিহাৰ্য্য, প্ৰাতঃঅধিবেশনৰ জৰিয়তে আমাৰ সকলোৰে মানসিক,বৌদ্ধিক, আধ্যাত্মিক সকলো দিশৰে বিকাশ হৈছে। প্ৰাতঃঅধিবেশনত শিকোৱা জীৱন সম্পৰ্কে ধাৰণাবোৰে আদুৰ ভৱিষ্যতে সমাজত মানুহ হিচাপে পৰিচয় দিয়াত সহায়ক হ'ব।

**- চিন্ময়ী ডেকা**
**পঞ্চম ষান্মাসিক**

কৈ শেষ কৰিব নোৱাৰা দৰং মহাবিদ্যালয়ৰ এক ব্যতিক্ৰমী অনুষ্ঠান "প্ৰাতঃঅধিবেশন" য'ত শাৰীৰিক, মানসিক, আধ্যাত্মিক, নৈতিক জ্ঞান প্ৰদানেৰে আমাক জীৱনৰ বাট দেখুওৱা হয়।

**- ইভা বৰুৱা**

## কুইজ

১। দৰং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতিৰ নাম কি?
২। দৰং মহাবিদ্যালয়ৰ প্ৰথমজন অধ্যক্ষৰ নাম কি?
(শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হ'ব)
(যোগাযোগৰ নং - ৭৫৭৬০৫৮৯১৩)



প্ৰাতঃঅধিবেশনত নৌকাসন